# NSD NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 20-10-2024
**Time :** 13-40 Hrs

***Assamese Midday Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বাৰানসীত প্ৰায় ছহেজাৰ ১০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰহিলৈ নতুন দিল্লীত পঞ্চম ৰাষ্ট্ৰীয় জলবঁটা সমূহ প্ৰদান কৰিব।

৩। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণৰ শুভাৰম্ভ কৰে।

৪। ৰাজস্থানৰ ধোলপুৰৰ ৰাষ্ট্ৰীয় ঘাইপথত হোৱা এটা পথ দুৰ্ঘটনাত কমেও ১২ জন লোকে প্ৰাণ হেৰুৱাইছে।

*আৰু*

৫। নিউজিলেণ্ডে আজি বাংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতক ৮ উইকেটত পৰাস্ত কৰে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ সংসদীয় সমষ্টি বাৰানসীলৈ যাব। তাত তেওঁ প্ৰায় ছহেজাৰ ১০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ দিনৰ প্ৰায় দুই বজাত কাশীত উপস্থিত হ'ব আৰু আৰ জে শংকৰা চকু চিকিৎসালয় মুকলি কৰিব। ইয়াৰ পাছত বিয়লি প্ৰায় চাৰি বাজি ১৫ মিনিটত প্ৰধানমন্ত্ৰীয়ে বাৰানসীৰ ছিগৰা ষ্টেডিয়ামত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এটা সমাবেশকো সম্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে যোগাযোগ ব্যৱস্থা সুদৃঢ়কৰণৰ প্ৰতিশ্ৰুতি অনুযায়ী বাৰাণসীৰ লাল বাহাদুৰ শাস্ত্ৰী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ ৰানৱেৰ সম্প্ৰসাৰণ আৰু নতুন আগমন-প্ৰস্থান ভৱনৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰিব।

বাইট

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰহিলৈ নতুন দিল্লীত পঞ্চম ৰাষ্ট্ৰীয় জলবঁটা সমূহ প্ৰদান কৰিব। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰালয়ে শ্ৰেষ্ঠ ৰাজ্য, শ্ৰেষ্ঠ জিলা, শ্ৰেষ্ঠ গাওঁ-পঞ্চায়ত, শ্ৰেষ্ঠ নগৰীয়া নিকায়, শ্ৰেষ্ঠ পানী ব্যৱহাৰকাৰী সংস্থা আৰু শ্ৰেষ্ঠ নাগৰিক সমাজকে ধৰি মুঠ ৯ টা শাখাত ৩৮ গৰাকী বিজেতাৰ নাম ঘোষণা কৰিছে। শ্ৰেষ্ঠ ৰাজ্যৰ শাখাত ওড়িশাই প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে উত্তৰ প্ৰদেশে দ্বিতীয় আৰু গুজৰাট আৰু পুডুচেৰীয়ে যুটীয়াভাৱে তৃতীয় স্থান অৰ্জন কৰিছে। প্ৰতিটো শাখাৰ বিজেতাক এখন প্ৰশস্তিপত্ৰ, ট্ৰফী আৰু নগদ ধন প্ৰদান কৰা হ'ব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, চৰকাৰে জলব্যৱস্থাপনা আৰু জল সংৰক্ষণৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় পৰ্যায়ত সৰ্বাত্মক অভিযান ৰূপায়ণ কৰিছে। ৰাষ্ট্ৰীয় জল বঁটাৰ বাবে চৰকাৰৰ জল সমৃদ্ধ ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰা বা প্ৰয়াস চলোৱা ব্যক্তি-সংগঠনক বাচনি কৰা হয়।

০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণৰ শুভাৰম্ভ কৰে। তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত ভূমিহীন লোকক ভূমি প্ৰদান, দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত আবেদন কৰা লোকসকলৰ স্থগিত ৰখা আবেদনসমূহ পুনৰীক্ষণ, নগৰ আৰু কাষৰীয়া অঞ্চলত ৰেহাই প্ৰিমিয়াম হাৰত একচনীয়া পট্টাৰ ম্যাদীকৰণৰ কাম আৰম্ভ কৰা, পূৰ্বৰ গ্ৰাম্য কিন্তু পৰৱৰ্তীকালত নগৰ অঞ্চল হিচাপে ঘোষিত এলেকাত দখলীস্বত্ব থকা ৰায়তক মালিকীস্বত্ব প্ৰদান, প্ৰসাৰিত ৰূপত ভূমিৰ শ্ৰেণী পৰিৱৰ্তন, চাহ অনুদান ভূমিৰ পট্টাৰ শ্ৰেণী পৰিৱৰ্তন আৰু পট্টা প্ৰদান আদি কাৰ্যসূচী হাতত লোৱা হ'ব। এই সেৱাসমূহৰ দ্বাৰা উপকৃত হ'বলৈ sewasetu.assam.gov.in-ত আবেদন কৰিব পাৰিব অথবা নিকটৱৰ্তী ৰাজহুৱা সুবিধা কেন্দ্ৰলৈ গৈ আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব।

০০০

বিশেষ কাৰ্যবাহিনী এছ টি এফে আজি আমিনগাঁৱত ৬ কোটি টকাৰ ড্ৰাগছ জব্দ কৰাৰ লগতে দুজনক কৰায়ত্ত কৰে। মণিপুৰৰ কাংপকপিৰ পৰা নামনি অসমলৈ ট্ৰাকেৰে ড্ৰাগছখিনি সৰবৰাহৰ চেষ্টা কৰোতে এই অভিযান চলোৱা বুলি অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ে প্ৰকাশ কৰিছে। জব্দ কৰা হেৰোইনখিনিৰ ওজন ৬৩৭ গ্ৰাম আৰু আন্তঃৰাষ্ট্ৰীয় কলাবজাৰত ইয়াৰ দাম প্ৰায় ৬ কোটি টকা হ'ব বুলি জানিব পৰা গৈছে। অভিযানত আটক হোৱা সহকাৰী ট্ৰাক চালক দুজনক গ্ৰেপ্তাৰ কৰি আইনী প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

০০০

ৰাজস্থানৰ ধোলপুৰৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা হোৱা এটা পথ দুৰ্ঘটনাত কমেও ১২ জন লোকে প্ৰাণ হেৰুৱায়। বিবাহ অনুষ্ঠানত অংশগ্ৰহণ কৰি উভতি অহা অৱস্থাত এখন শ্লিপাৰ বাছ আৰু এখন অটোৰিক্সাৰ মাজত হোৱা সংঘৰ্ষৰ বাবে এই অঘটনটো ঘটে। নিহত সকলৰ ভিতৰত অধিকাংশ শিশু আৰু মহিলা বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাৰ ফলত অটোৰিক্সাখন খণ্ড বিখণ্ড হৈ যায়। বাছখনৰ চালক আৰু পৰিচালকজনৰ অৱস্থা সংকটজনক বুলি কোৱা হৈছে। তেঁওলোকক জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০

প্ৰবোৱো সুবিয়াণ্টোই বিশ্বৰ তৃতীয় সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ  ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে। ৭৩ বছৰীয়া সুবিয়াণ্টো আনুষ্ঠানিকভাৱে বিশ্বৰ সৰ্বাধিক মুছলমান জনবসতিৰ দেশ ইণ্ডোনেছিয়াৰ অষ্টম ৰাষ্ট্ৰপতি হিচাপে পৰিগণিত হৈছে। সুবিয়াণ্টোই ১৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত নিৰ্বাচনত প্ৰায় ৬০ শতাংশ ভোট লাভ কৰিছিল।

বিদেশ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা সুবিয়াণ্টোৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০

গাজাৰ উত্তৰ প্ৰান্তৰ বেট লাহিয়াত কালি ইজৰাইলে চলোৱা আক্ৰমণত ৭০ জনৰো অধিক লোকৰ মৃত্যু হৈছে বুলি জানিব পৰা  গৈছে। ধ্বংসস্তুপৰ মাজত বহু লোক এতিয়াও আৱদ্ধ হৈ থকা বুলি আশংকা কৰা হৈছে। উদ্ধাৰ অভিযান চলি থকাৰ পৰিপ্ৰেক্ষিতত মৃতকৰ সংখ্যা অধিক বৃদ্ধি পাব পাৰে বুলি গাজাৰ চৰকাৰী সংবাদ কাৰ্যালয়ে প্ৰকাশ কৰিছে। ইজৰাইলৰ সেনাই ১৬ দিন ধৰি দখল কৰি ৰখাত গাজাৰ উত্তৰ প্ৰান্তত খাদ্য, পানী তথা স্বাস্থ্যসেৱা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰিছে, যাৰ ফলত অঞ্চলটোত হাহাকাৰময় পৰিস্থিতিয়ে বিৰাজ কৰিছে। অৱশ্যে ইয়াৰ মাজতো

ইজৰাইলী সুৰক্ষা বাহিনীয়ে ৭০ জনৰো অধিক লোকৰ প্ৰাণহানি হোৱা বুলি হামাছে কৰা দাবীক অতিৰঞ্জিত তথ্য বুলি অভিহিত কৰিছে।

০০০

নিউজিলেণ্ডে আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতক ৮ উইকেটত পৰাস্ত কৰি শৃংখলাৰ ১-০ ফলাফলেৰে অগ্ৰগতি লাভ কৰে। ভাৰতে কালি ৪৬২ ৰাণত দ্বিতীয় ইনিংছ সামৰাৰ পাছত নিউজিলেণ্ডৰ বাবে ১০৭ ৰাণৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল। নিউজিলেণ্ডে ২৮ অভাৰৰ ভিতৰত এই লক্ষ্যত উপনীত হৈ ৩৬ বছৰত ভাৰতত প্ৰথম টেষ্টত জয়লাভ কৰে।

০০০

নিউজিলেণ্ড আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ড ফাইনেলত প্ৰৱেশ কৰাৰ সুবাদত প্ৰতিযোগতাৰ ইতিহাসত ২০১৬ চনৰে পৰা প্ৰথমবাৰৰ বাবে নতুন দল চেম্পিয়ন হোৱাটো নিশ্চিত হৈ পৰিছে।

দক্ষিণ আফ্ৰিকাই ছেমিফাইনেলত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক পৰাস্ত কৰি একেৰাহে দ্বিতীয়বাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে নিউজিলেণ্ডে ৱেষ্ট ইণ্ডিজক পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০

ভাৰতৰ সুমিত নাগলে কালি চুইজাৰলেণ্ডৰ বেচেলত অনুষ্ঠিত চুইজ ইন্দোৰ টেনছ টুৰ্ণামেণ্টৰ পুৰুষৰ ছিংগলছৰ কোৱালিফায়িং ৰাউণ্ডত আৰ্জেণ্টিনাৰ ফেচুংদো দিয়াজ অকোস্তাক ৫-৭, ৭-৬, ৭-৬ গেমত পৰাস্ত কৰে। সুমিতে এই জয়েৰে ৮ খন খেলত হাৰৰ ধাৰাও ভংগ কৰে। সুমিত আজি বিয়লি হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰৰ অষ্ট্ৰেলিয়াৰ জেমছ ডাকৱৰ্থৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইফালে ভাৰতৰ যুকি ভাম্ব্ৰি আৰু ফ্ৰান্সৰ অল্বানো অ'লিৱেটিৰ যুটিটো কাইলৈ পুৰুষৰ ডাবলছৰ পৰি কোৱাৰ্টাৰ ফাইনেলত নেডাৰলেণ্ডৰ জিন জুলিয়ন ৰোজা আৰু ব্ৰিটেইনৰ জো চেলিজবৰীৰ সন্মুখীন হ'ব।

০০০

হকী ইণ্ডিয়াই বৰ্তমানৰ বিশ্ব চেম্পিয়ন জাৰ্মানীৰ বিৰুদ্ধে নতুন দিল্লীত হবলগীয়া দ্বিপাক্ষিক শৃংখলাৰ বাবে ২২ জনীয়া দল ঘোষণা কৰিছে। এই অনুসৰি হৰমনপ্ৰীত সিঙে ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিব। বিবেক সাগৰ প্ৰসাদ দলৰ উপ অধিনায়ক হ'ব। নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ নেচনেল ষ্টেডিয়ামত ২৩ আৰু ২৪ অক্টোবৰত শৃংখলাৰ খেল দুখন অনুষ্ঠিত হ'ব।

০০০

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত আজি দিল্লী হাফ মাৰাথনৰ ১৯ সংখ্যক সংস্কৰণ অনুষ্ঠিত হয়। অলিম্পিক চেম্পিয়ন উগাণ্ডাৰ যশুৱা চেপ্তেগিয়ে পুৰুষ শাখাৰ খিতাপ দখল কৰাৰ বিপৰীতে ইথোপিয়াৰ এলেমদিছ ইয়ায়ু মহিলাৰ শাখাত প্ৰথম স্থান অৰ্জন কৰে। জৱাহৰলাল নেহৰু ষ্টেডিয়ামৰ পৰা আৰম্ভ হোৱা এই প্ৰতিযোগিতাত হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰে।

০০০

সমাপ্ত